সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্রেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১১

অৰণ্য যাত্রা

অংশ - ৪

অংগৰাগ ভূঞা



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমুকৈ উত্তৰ লিখা —

(ক) বিদ্যালয়ৰ অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষার্থীসকলক কোনখন অৰণ্যলৈ নিয়াৰ সিদ্ধান্ত লৈছিল?

উত্তৰ:- বিদ্যালয়ৰ অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষার্থীসকলক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ নিয়াৰ সিদ্ধান্ত লৈছিল।



(খ) পল আৰু পাহি কোন কোন শ্ৰেণীত পঢ়ে?



উত্তৰ:- পল নৱম শ্ৰেণীত আৰু পাহি অষ্টম শ্ৰেণীত পঢ়ে।



(গ) পলে কোনবোৰ কাম ছোৱালীৰ বুলি পাহিক কৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ:- ঘৰ সৰা, বাচন-বৰ্তন ধোৱা, ঘৰৰ আচবাবৰ ধূলি-বালি মচা, নিজৰ কাপোৰ নিজে ধোৱা আদি।



(ঘ) লর্ড কার্জন কোন?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ:- লৰ্ড কার্জন ইংৰাজ ভাইচৰয় আছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। ল'ৰা-ছোৱালীৰ কামৰ পার্থক্য দেখি পাহিয়ে মাকক কি কৈছিল? মাকে ইয়াৰ প্রত্যুত্তৰত পাহিক কি বুজনি দিছিল?



উত্তৰ:- পাহিয়ে মাকক ল'ৰা-ছোৱালীৰ কামৰ পার্থক্য দেখি ল'ৰা-ছোৱালীৰ কামবোৰ কোনে পৃথক কৰিলে সুধিছিল। তাই নিজে ককায়েকৰ দৰে পঢ়া-শুনা কৰে যদিও নিজে নিজৰ কামবোৰ কৰি লোৱাৰ উপৰি মাককো সহায় কৰি দিয়ে। কিন্তু ককায়েকে মাকক সহায় কৰা দূৰৰ কথা, নিজৰ কাম কেইটাও কৰি নলয়। সেইবোৰ কাম মাক বা ভনীয়েকে কৰি দিব বুলি আশা কৰি নকৰাকৈ থাকে। সেয়েহে পাহিয়ে ল'ৰাই নিজৰ কামকেইটা নিজে কৰিব নালাগে বুলি ক'ৰবাত লিখা আছে নেকি মাকক সুধিছিল।

ইয়াৰ প্ৰত্যুত্তৰত মাকে কৈছিল যে, তেওঁ ল'ৰা-ছোৱালী দুয়োটাকে বয়স অনুযায়ী কৰিব পৰা কামবোৰ শিকাই গৈছে। ল'ৰাই হওক বা ছোৱালীয়েই হওঁক যিমানেই পঢ়া-শুনা নকৰক বা পিছলৈ ব্যৱসায় বা ডাঙৰ চাকৰি নকৰক কিয় নিজৰ কামখিনি নিজে কৰিবলৈ শিকিব লাগিব। নিজৰ প্ৰয়োজনীয় কামখিনি নাজানিলে পৰনিৰ্ভৰশীল হ'বলৈ বাধ্য হ'ব লাগিব। তেতিয়া সময় আৰু মানুহ সকলোৰে পৰা ঠগ খাব লাগিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। প্ৰকৃতিৰ কোনবোৰ সুন্দৰ নিয়মে পাহিক আকৃষ্ট কৰে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰ:- প্ৰকৃতিৰ সকলোবোৰ উপাদানে মিলা-প্ৰীতিৰে বাস কৰে। প্ৰতিজোপা গছৰ ৰং ভিন্ন, পাতৰ আকাৰ ভিন্ন, তামোল গছজোপাৰ কাষতে থকা আম গছজোপাৰ চেহেৰাৰ মিল নাই, দুজোপা ভিন্ন গছ ওচৰা-ওচৰিকৈ সুমিল মিলেৰে থাকে। আকৌ, কল গছজোপাৰ কাষতে থকা নেমু গছজোপা, নেমুৰ কাঁইটে কল গছজোপাক কেতিয়াও বিন্ধিবলৈ নাযায়। প্ৰকৃতিৰ এই সুন্দৰ নিয়মবোৰ প্ৰতিটো উপাদানে মানি চলে। প্ৰকৃতিৰ এই নিয়মবোৰে পাহিক আকৃষ্ট কৰে।

৪। কাজিৰঙালৈ যাবলৈ ওলাওঁতে পাহি আৰু পলক মাক আৰু দেউতাকে কি উপদেশ দিছিল?



উত্তৰ:- কাজিৰঙালৈ যাবলৈ ওলাওঁতে পাহি আৰু পলক মাক আৰু দেউতাকে উপদেশ দি কৈছিল যে, তেওঁলোকে যেন শিক্ষকৰ লগ নেৰে, শিক্ষকে যি কথা কয় সেইমতে যাতে চলে। লগতে মাকে নিজৰ বয় বস্তুবোৰ চম্ভালিবলৈ উপদেশ দিয়াৰ লগতে কৈছিল যে, অৰণ্যৰ পৰা বহু কথা শিকিবলগীয়া আছে। গতিকে, তেওঁলোকে যিমান পাৰে অৰণ্যৰ পৰা শিকি অহা উচিত।

৫। 'কামত ল'ৰা-ছোৱালী বুলি ভাগ নাই। যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা।'-এই কথাষাৰৰ বক্তা কোন? তেওঁ কিয় এই কথাষাৰ ক'বলগীয়া হৈছিল আঁতিগুৰি মাৰি লিখা।

উত্তৰ:- এই কথাষাৰৰ বক্তা পলহঁতৰ গণিতৰ শিক্ষক ৰঞ্জিত হাজৰিকা। পলহঁতৰ পঢ়া বিদ্যালয়খনৰ অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষার্থীসকলক কাজিৰঙা অভয়াৰণ্যলৈ নিয়া হৈছিল। দুখন বাছত বেছ হুলস্থুল আৰু নাচ গান কৰি শিক্ষার্থী আগবাঢ়িল কাজিৰঙা অভিমুখে। বাছৰ ভিতৰতে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা নেতা-নেত্ৰী পাতি দিলে। পাহি আৰু বিদিশাক দায়িত্ব দিয়া হ'ল বাছত থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা গণনা কৰিবলৈ আৰু অসুবিধাসমূহ চকু দিবলৈ। নৱম শ্ৰেণীৰ সৌৰভ আৰু আফতাবক দায়িত্ব দিয়া হ'ল খাদ্য বস্তুৰ পেকেট আৰু পানীৰ বটল সকলোৰে মাজত সমভাৱে বিতৰণ কৰিবলৈ।

সৌৰভে কামটো টান পাই ক'লে যে পাহি আৰু বিদিশাই খাদ্য বিলাওঁক, সৌৰভ আৰু আফতাবে সিহঁতক দিয়া কামটো কৰিব। সৌৰভে যুক্তি দি ক'লে, আমি যিহেতু ল'ৰা, লগৰীয়াবোৰে উৎপাত কৰিলে শাসনো কৰিব পাৰিম আৰু অসুবিধাসমূহো চাব পাৰিম।

সৌৰভৰ কথা শুনি গণিতৰ শিক্ষক ৰঞ্জিত হাজৰিকাৰ খং উঠিল আৰু তেখেতে উক্ত কথাষাৰেৰে সৌৰভ আৰু আফতাবক বুজাব বিচাৰিলে যে, ল'ৰা-ছোৱালী সমান। ছোৱালীয়ে কৰিব পৰা কাম ল'ৰায়ো কৰিব লাগিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পল-আফতাবহঁত কি বিপদত পৰিছিল? এই বিপদৰ পৰা সিহঁতক কোনে উদ্ধাৰ কৰিছিল?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ:- বিদ্যালয়ৰ অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষার্থীসকল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ গৈ পোৱাৰ পিছত সকলো শিক্ষার্থীয়ে খাই বৈ শিক্ষকৰ নির্দেশ মতে জিৰণি ল'বলৈ নির্দিষ্ট কোঠালৈ গ'ল। পিছে পল, সৌৰভ আৰু আফতাবে আন সকলে গম নোপোৱাকৈ পিছফালে মেটেকাৰে ভৰি থকা এখন বিল পালেগৈ আৰু বিলৰ কাষত খুটিত পুতি থোৱা নাও এখন দেখি তাতে উঠিলগৈ। খুঁটিৰ পৰা নাওখন খুলি সিহঁতে বঠা মাৰি নাওখন আগুৱাই নিলে। কিছুদূৰ গৈ নাওখন মেটেকাৰ মাজত সোমাই পৰিল আৰু নাওখন পানীত ডুবিবলৈ আৰম্ভ কৰিলে। সিহঁতে তেতিয়াহে গম পালে যে, নাওখনৰ তলিত ফুটা আছে।

সিহঁতে বহুত চেষ্টা কৰিও নাওখন কাষলৈ চপাব নোৱাৰিলে। হঠাৎ নাওখন কাতি হৈ গ'ল আৰু পল পানীত পৰিল। তেনেতে আন এখন বিলত মাছ মাৰি অহা কেইজনীমান ছোৱালীয়ে সিঁহতক দেখা পাই দৌৰি আহিল। তাৰে দুজনীয়ে তৎক্ষণাত বিলত জপিয়াই পৰিল আৰু পানী খাই ডুবিব খোজা পলক টানি নি পাৰত উঠালেগৈ। আনহাতে, আন এজনীয়ে সাঁতুৰি গৈ নাৱত বঠা বাই বহু কষ্টৰে নাওখন পাৰত লগাব খোজোতেই নাওখন কাতি হৈ পৰিল। পানীত আফতাব আৰু সৌৰভ পৰিল। এই সমগ্ৰ ঘটনাটো পাৰৰ পৰা বেছি দূৰত নাছিলে বাবে আটাইকেইটাকে ছোৱালীকেইজনীয়ে উদ্ধাৰ কৰিলে।

৭। শিক্ষক-শিক্ষয়িত্রীসকলে অৰণ্য দৰ্শনৰ কাৰ্যসূচী কিয় বাতিল কৰিব খুজিছিল? ইয়াৰ পিছৰ পৰিস্থিতি কি হ'ল বহলাই লিখা।



উত্তৰ:- শিক্ষক-শিক্ষয়িত্ৰীসকলে অৰণ্য দৰ্শনৰ কাৰ্যসূচী বাতিল কৰিব খুজিছিল। কিয়নো ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ তিনিজন ছাত্ৰ পল, সৌৰভ আৰু আফতাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱমাননা কৰি মনে মনে গৈ বিলত নাও বাইছিলগৈ। যাৰ ফলত নাও ডুবি সিহঁত পানীত পৰিছিল। কেইজনীমান স্থানীয় ছোৱালী আহি সিহঁতক পানীৰ পৰা উঠাই আনিছিল। ছোৱালী কেইজনী নোহোৱা হ'লে হয়তো সিহঁত বাচিব নোৱাৰিলে হেতেন আৰু বিদ্যালয়খনো বদনামৰ ভাগী হলহেঁতেন। ছাত্ৰ-ছাত্ৰীৰ দলটোক লৈ ঘূৰি ফুৰিবলৈ হ'লে কেৱল শিক্ষক-শিক্ষয়িত্ৰীসকল দায়িত্বশীল হ'লেই নহ'ব, ছাত্ৰ-ছাত্ৰীসকল নিজেও শিক্ষকৰ বাধ্য তথা দায়িত্বশীল হ'ব লাগিব।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সেয়েহে তেওঁলোকে অৰণ্যৰ কার্য্যসূচী বাতিল কৰাৰ সিদ্ধান্ত ল'লে।

শিক্ষক-শিক্ষয়িত্রীসকলৰ সিদ্ধান্ত শুনাৰ পিছত ছাত্র-ছাত্রীসকলৰ কাৰো মুখত মাত-বোল নোহোৱা হ'ল। তাৰ মাজতে পাহিয়ে নিজৰ বক্তব্য আগবঢ়াই ক'লে যে, কেইজনমান ছাত্রৰ কাৰণে সকলো ছাত্র-ছাত্রীকে বঞ্চিত কৰাটো উচিত হোৱা নাই। যি কেইজনে দোষ কৰিছে কেৱল তেওঁলোককহে শাস্তি দিয়া উচিত। তেওঁলোকক অৰণ্য দর্শনলৈ নিনিলেই হ'ল। সকলো শিক্ষার্থীয়ে পাহিৰ কথাত সমর্থন জনালে। পলেও থিয় হৈ সিহঁতৰ যে দোষ হৈছে সেই কথা স্বীকাৰ কৰি সিহঁতৰ কাৰণে যে আনসকলকো অৰণ্য দর্শনৰ পৰা বঞ্চিত নকৰে তাৰবাবে অনুৰোধ কৰিলে।

শেষত শিক্ষক-শিক্ষয়িত্রীসকলে পল, সৌৰভ আৰু আফতাবে নিজৰ ভূল উপলব্ধি কৰা বুলি জানি সকলোকে অৰণ্য দৰ্শন কৰিবলৈ নিবলৈ মান্তি হ'ল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। মহীচন্দ্ৰ মিৰি কোন? কাজিৰঙাক বিশ্ব দৰবাৰত চিনাকি কৰাই দিবলৈ তেওঁ কেনে ভূমিকা লৈছিল?



উত্তৰ:- মহীচন্দ্ৰ মিৰি হ'ল কাজিৰঙাৰ প্ৰথম ভাৰতীয় তথা অসমীয়া অৰণ্য বিষয়া। তেওঁ কাজিৰঙাৰ গড় আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিৰিয়াখানালৈ পঠিয়াই কাজিৰঙা অৰণ্য যে গড়ৰ বসতিস্থল সেই কথা সমগ্ৰ জগতত প্ৰথম জনালে। বিশ্ব মানচিত্ৰত কাজিৰঙাক চিনাকি কৰি দিয়া প্ৰথম ব্যক্তি জনেই হ'ল মহীচন্দ্ৰ মিৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। নিগনা চিকাৰীৰ প্ৰকৃত নাম কি? তেওঁ কাক প্ৰথমে কাজিৰঙাৰ গঁড় দেখুৱাইছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ:- নিগনা চিকাৰীৰ প্ৰকৃত নাম হ'ল বাপীৰাম হাজৰিকা।

তেওঁ লেডী কার্জনক প্রথমে কাজিৰঙাৰ গড় দেখুৱাইছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। কাজিৰঙালৈ যাত্ৰা কৰি কি কি বিশেষ শিক্ষা লাভ কৰিলে বুলি শিক্ষার্থীসকলে শিক্ষক-শিক্ষয়িত্রীসকলক অৱগত কৰিছিল?



উত্তৰ:-

১) নিজে কৰিব পৰা কামসমূহ নিজেই কৰিব লাগে, আনে কৰিব বুলি বাট চাব নালাগে।

২) গছ-বন, জীৱ-জন্তু মানুহৰ বন্ধু। মানুহে গছ নহ'লে জীয়াই থাকিব নোৱাৰে।

৩) ল'ৰা-ছোৱালী সকলো সমান।

৪) আত্মৰক্ষা কৰিব নাজানিলে মৰসাহ দেখুওৱা মূৰ্খৰ কাম।

৫) দলীয়ভাৱে কৰবালৈ গ'লে অনুশাসন-শৃংখলা মানি চলাটো জৰুৰী কথা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। বাক্য ৰচনা কৰা —

ককাই-ভনী,

টুলুং-ভুটুং,

চিঞৰ-বাখৰ,

মানুহ-দুনুহ,

তিতি-বুৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ককাই-ভনী: ৰাৱন আৰু শূর্পনখা সম্বন্ধত ককাই-ভণী আছিল।



টুলুং-ভুটুং: নদীৰ মাজত নাওঁখনে টুলুং ভূটুং কৰাত যাত্রীজনে ভয়তে ভগৱানৰ নাম লবলৈ ধৰিলে।



মানুহ-দুনুহ: জয়াল বাটটোত বহু দূৰলৈ মানুহ-দুনুহ নেদেখি পলে চিঞৰি দিলে।

তিতি-বুৰি: বৰষূণত তিতি- বুৰি জুৰুলা জুৰুল হোৱা লৰাটোক মানুহগৰীকীয়ে এখন গামোচা আগবঢ়াই দিলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। মূর্দ্ধন্য 'ণ' হোৱাৰ কাৰণ দৰ্শোৱা —



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ:-

অৰণ্য — ঋ, ৰ, ষ - ৰ পাছত থকা একেটা পদতে থকা দন্ত্য ন মূৰ্দ্ধণ্য ণ হয়।

অৰ্পণ — ঋ, ৰ, ষ - ৰ পাছত থকা একেটা পদতে থকা দন্ত্য ন মূৰ্দ্ধণ্য ণ হয়।

কণ্ঠ — ট বৰ্গৰ বৰ্ণৰ লগত যুক্ত হ'লে ন ণ হয়।

ওৰণি — ঋ, ৰ, ষ - ৰ পাছত থকা একটা পদতে থকা দন্ত্য ন মূৰ্দ্ধন্য ণ হয়।

পোৰণি — ঋ, ৰ, ষ - ৰ পাছত থকা একেটা পদতে থকা দন্ত্য ন মূৰ্দ্ধণ্য ণ হয়।

আড়ম্বৰপূৰ্ণ — ঋ, ৰ, ষ - ৰ পাছত থকা একেটা পদতে থকা দন্ত্য ন মূৰ্দ্ধণ্য ণ হয়।